জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainikasam.in

০ সংখ্যা, ৭ আহিন, বুধবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 50। DIBRUGARH, WEDNESDAY, SEPTEMBER 24, 2025 । পৃষ্ঠা ১৬ (Page

## াঞ্জলি

তি তথা সকলো
হয়। সভাই
তিচাৰণ অনুষ্ঠান
াৰ্গলৈ শ্ৰদ্ধাঞ্জলি
ই আহিল হাজাৰ
নুৰাগীয়ে বিশাল
থ পৰিভ্ৰমী লিড়ু
হয় শ্ৰদ্ধাঞ্জলি
ধৰা অনুষ্ঠানটোত
ৰপূজাৰী, ববিতা
উৎপল চক্ৰৱৰ্তী,
প্ৰবীৰজ্যোতি বৰা,
ঞ্জলি জনায়।

## হেমনাথ
## বিদ্যালয়ত
## প্ৰজ্বলন

প্ৰতিনিধি
ছেপ্টেম্বৰ ঃ হিয়াৰ
ল্পী জুবিন গাৰ্গক

---

**প্ৰাণৰ শিল্পীৰ মৃত্যুত শোকবিহ্বল কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী**

# হাতে হাতে মমবাতি লৈ মৌন সমদল

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ অকাল বিয়োগত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শিক্ষাৰ্থীসকলো শোকত ভাগি পৰিছে। আজিও মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে চকুপানী টুকিছে। ২২ ছেপ্টেম্বৰৰ সন্ধিয়া সহস্ৰাধিক মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীয়ে হাতে হাতে মমবাতি জ্বলাই শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে আৰু মহাবিদ্যালয়ৰ চৌহদৰ পৰা থানা চাৰিআলিলৈকে এক মৌন সমদল উলিয়ায়। এই কাৰ্যসূচী মুকলি কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। অধ্যক্ষগৰাকীয়ে কয়— এটা উজ্জ্বল জ্যোতিষ্ক যেন পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। তেওঁ কয় যে জুবিন গাৰ্গে কিশোৰ অৱস্থাত বহুকেইগৰাকী শিল্পীৰ স'তে ডিব্ৰুগড়ত সংগীতৰ চৰ্চা কৰিছিল আৰু মহাবিদ্যালয়খনৰ প্ৰৱেশদ্বাৰৰ সন্মুখতে তেওঁলোকে সংগীতৰ চৰ্চা কৰিছিল। এইক্ষেত্ৰত তেওঁ দিগন্ত শৰ্মা, ডনী হাজৰিকা, চবিন কুমাৰ দাস, ভাস্কৰ ৰাজকোঁৱৰ, ভাস্কৰ শইকীয়া, ৰাণা ৰয় প্ৰমুখ্যে বহুকেইজন শিল্পীৰ নাম স্মৰণ কৰে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ১৯ ছেপ্টেম্বৰৰ সন্ধিয়াও অনুৰূপ ধৰণে মমবাতি লৈ মৌন সমদল উলিয়াইছিল।

